ASSAM

# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## WINTER SESSION

## VOL. VI

**NO. 1**

The 23rd November, 1984

1987

Printed at Assam Govt. (Mini) Press, Dispur, Guwahati-781006

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1984

(Winter Session)

**Volume—VI**

No. 1

Dated, the 23rd November, 1984

Contents Pages


| | | |
|---|---|---|
| 1. | Report of the Business Advisory Committee | 1 |
| 2. | Obituary reference ...... ...... | 1—8 |
| 3. | Adjournment ...... ...... | 8 |

Proceedings of the Sixth Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Friday the 23rd November, 1984 with the Hon'ble Speaker in the Chair, 16 (Sixteen) Ministers, 17 (Seventeen) Ministers of State and 56 (Fiftysix) Members present.

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. SPEAKER :—Item No. 1.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory C mmittee in my Chamber at 10 A. M. on 21st November, 1984 to settle the business for the Winter Session of the Assembly. The Committee has decided not to take up any other Business today except the obituary reference. As desired by the Business Advisory Committee, I also dispense with the Question Hour under Rule 30 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. Copies of Calendar for 23rd November, 1984 has already been circulated to the Hon'ble Members. The Business Advisory Committee will sit again at 10 A. M. on 24th November, 1984 to settle the business to be transacted during the current Session of the Assembly.

I hope this has the approval of the House.

(Voices : yes, yes)

## OBITUARY REFERENCE

Now, Item No. 2.

We are meeting to-day under the shadow of a great national calamity. The pang of sudden death of Mrs. Indira Gandhi caused by her two security persons has been too great and it is very much shocking.

Mrs. Indira Gandhi was born on November 19, 1917 and she grew up in an atmosphere which was surcharged with patriotic emotion and sentiment. Not only she had inherited a political legacy of her father and grand father Motilal Nehru, but she came into contact with eminent political leaders whose sacrifice and sufferings inspired her youthful mind to serve the cause of motherland. Her imaginative mind was very much influenced by the ideals of Rabindra Nath Tagore and Mahatma Gandhi with whom she came into close contact and her thoughts were moulded by the famous letters written to her by her father Jawaharlal Nehru from prison. She plunged into the student movement and was arrested in 1942. She served a prison term for 13 months.

Mrs. Gandhi displayed her outstanding qualities while she was the President of the Youth Congress in 1956 and the President of the Indian National Congress in 1959. She became the Minister for Information and Broadcasting in June, 1964 in Lal Bahadur Shastri's Cabinet. After becoming the Prime Minister of India in 1966 she led the country with great courage and faith. Her political career was eventful and she always stood for freedom and peace. Throughout her life she initiated various measures for the removal of poverty of the downtrodden people and that is why she was very much popular amongst the mass, Harijans and the Adivasis. Through her sustained efforts, India has made significant progress in scientific, economic and industrial fields.

Owing to her rare qualities of leadership she emerged as one of the greatest leaders of the world who guided the destiny of world's greatest democratic country for about two decades. Despite stiff opposition she could consolidate her position which earned her great admiration at home and respect abroad. She was a politician of broad vision and a statesman of high order.

In the international field, Mrs. Gandhi played a significant role and she will be remembered by all for her efforts to bring about equitable world economic order through dialogue and co-operation. Her contribution to reduce global tension, her Chairmanship of the Non-Aligned Movement, her Presidentship of the Second Summit Conference of the Heads of Government of Commonwealth Countries in Asia-Pacific Region earned for India a great respect.

The news of her assassination shocked the people of the world and there have been unprecedented, sponteneous and universal expressions of affectionate regard for Mrs. Gandhi condemning in unmistakable words the dastardly crime. The whole country is filled with shame, indignation and humiliation that such a dastardly outrage should have been committed upon Mrs. Indira Gandhi. We express our intense horror and indignation at the dastardly crime.

With her death, India has lost one of the great personalities of our age. We deeply mourn the death of Mrs. Indira Gandhi and pay our respectful homage to the departed soul.

শ্ৰীহিতেশ্বৰ শইকীয়া (মূখ্যমন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, গোটেই দেশকে শোকৰ চাদৰ আবৰি ৰখাৰ সময়তে আজি আমি এই পবিত্ৰ সদনত গোট খাইছোঁহি। যোৱা ৩১ অক্টোবৰৰ তাৰিখে ভাৰতৰ প্ৰধান মন্ত্ৰী, জাতিৰ মাতৃ শ্ৰীমতী ইন্দিৰা গান্ধী আততায়ীৰ হাতত মৃত্যু হৈছে। চাওঁতে চাওঁতে এই শোকাবহ ঘটনাৰ পিচত তিনিটা সপ্তাহ পাৰ হৈ গল। কিন্তু জাতিৰ মনত সেই দিনাৰে পৰা উথলি উঠা শোক সময়ে অকনমানো পাতলাব পৰা নাই।

আমাৰ দেশৰ বৰ্ত্তমান সময়ৰ ৰূৰঞ্জীত শ্ৰীমতী ইন্দিৰা গান্ধীৰ হত্যাৰ দৰে নিষ্ঠুৰ বেদনাদায়ক ঘটনা আন এটা ঘটা নাছিল। আচলতে এই মহিয়সী গৰাকীৰ মৃত্যুত দেশে কেবল এগৰাকী প্ৰধান মন্ত্ৰীকে হেৰুওৱা নাই ; ঐক্য আৰু অখণ্ডতা, গণতন্ত্ৰ ধৰ্মনিৰপেক্ষতা, সমাজবাদ প্ৰগতি আদি আদৰ্শৰ এক জীৱন্ত প্ৰতিমাকে হেৰুৱাই পেলালে। শ্ৰীমতী গান্ধী আছিল বিশাল বিচিত্ৰ ভাৰতবৰ্ষৰ শুদ্ধ প্ৰতীক। তেওঁৰ মাজত দেশৰ সকলো সংঘাটৰ ওৰ পৰিছিল। আধুনিক ভাৰত গঢ়াৰ অধীৰতাৰ মাজত মিলি আছিল ঐতিহ্যৰ বাবে গভীৰ গৰ্ব, দেশৰ ভৱিষ্যতৰ কল্পনাৰ মাজত মাৰ গৈ আছিল, দেশৰ প্ৰাচীন আদৰ্শ সমৃদ্ধ কৰাৰ আকাংখ্যা। দেশৰ সকলো প্ৰান্তৰ সকলো ৰাইজে তেওঁৰ লগত একে ধৰণৰ পৰম আত্মীয়তা অনুভৱ কৰিছিল, টোকোনাৰো টোকোনা জনেও তেওঁৰ মাজত আশ্বাস আৰু প্ৰত্যয় বিচাৰি পাইছিল।

এটা বিশিষ্ট পৰিয়ালৰ অতুলনীয় দেশ প্ৰেমৰ ঐতিহ্যৰ কোলাত আৰু বাপুজী, ৰবীন্দ্ৰ নাথৰ দৰে মহাপুৰুষৰ সান্নিধ্যত শ্ৰীমতী গান্ধীয়ে দেশৰ বাবে নিজকে সঁপি দিয়াৰ ব্ৰত লৈছিল। কোমল বয়সতে স্বাধীনতা যুঁজৰ ভাগ লৈ, কাৰবাস খাটি তেওঁ এই জীৱন জোৰা সাধনাৰ পাতনি মেলিছিল। স্বাধীনতা লাভৰ পিছত জাতীয় জীৱনৰ বিভিন্ন দিশত শ্ৰীমতী গান্ধীৰ সাংগঠনিক প্ৰতিভা আৰু প্ৰগতিশীলতাৰ চিনাকি উজ্বল হৈ উঠিছিল। জাতীয় কংগ্ৰেছৰ সভানেত্ৰী ৰূপে, কেন্দ্ৰীয় মন্ত্ৰী ৰূপে তেওঁ অসাধাৰণ প্ৰতিভাৰ অনেক প্ৰমাণ দেশৰ সন্মুখত দাঙি ধৰিছিল। আৰু প্ৰধান মন্ত্ৰীৰূপে তেওঁৰ প্ৰায় দুই দশকৰ প্ৰচেষ্টাই আমাৰ দেশখনক সন্মান আৰু মৰ্য্যদাৰ শিখৰলৈ লৈ গল। আমাৰ জাতিক নতুন যুগৰ দুৱাৰ ডলিত থিয় কৰালেহি।

অধ্যক্ষ মহোদয়, আজি বিশ্বৰ দৰবাৰত আমাৰ দেশে লাভ কৰা মৰ্যাদা আৰু সন্মান জ্ঞান-বিজ্ঞানৰ জগতত আমাৰ চকুত লগা সফলতা, জাতিৰ আটাইতকৈ নিশকটীয়া জনৰ মনতো থন ধৰি উঠা আত্মবিশ্বাস— এই সকলোবোৰ শ্ৰীমতী গান্ধীৰেই অনুপম উপহাৰ। গোষ্ঠী নিৰপেক্ষ আন্দোলনত নতুন গতিশীলতা আনি, শোষিত আৰু উন্নয়নশীল দেশ সমূহক বাট দেখুৱাই ভাৰতৰ এই নেত্ৰী বিশ্ব নেত্ৰী হৈ উঠিছিল। সুষম বিশ্ব অৰ্থনীতি আৰু বিশ্ব শান্তিৰ বাবে তেওঁ স্পষ্ট আৰু উদাত্ত কণ্ঠস্বৰ শুনি সমগ্ৰ পৃথিৱীয়ে তেওঁলৈ মুগ্ধ চকুৰে চাইছিল।

শ্ৰীমতী গান্ধীৰ প্ৰধান মন্ত্ৰীত্বৰ দুটা দশক আছিল দেশৰ জীৱনত এক অতিশয় তাৎপৰ্যপূৰ্ণ যুগ। অলেখ প্ৰত্যাহবানৰ সম্মুখতো অবিচল নিষ্ঠা আৰু সাহসেৰে তেওঁ শুদ্ধ বাটেৰে দেশক আগবঢ়াই নিছিল। গণতন্ত্ৰ, সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতাৰ আদৰ্শক তেওঁ দেশৰ জীৱনত আৰু জাতিৰ চেতনাত নিবিড় ভাৱে মিলাবলৈ অহৰ্নিশে যত্ন কৰিছিল। ১৯৭১ চনত পাকিস্তানৰ লগত যুদ্ধৰ সময়ত তেওঁ যি সাহসৰ পৰিচয় দিছিল আৰু এখন স্বাধীন বাংলাদেশৰ অভ্যুত্থানত অৰিহণা যোগাইছিল, সেই কথা আমাৰ ৰাইজে চিৰদিন শ্ৰদ্ধাৰে সুঁৱৰিব। বেংক জাতীয়কৰণ আদি ঐতিহাসিক সিদ্ধান্তৰ জৰিয়তে শ্ৰীমতী গান্ধীয়ে ভাৰতবৰ্ষৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ গতিকে সলাই পেলালে। কুৰিদফা আৰ্চনিৰ জৰিয়তে অৰ্থনৈতিক মুক্তিৰ বাবে তেওঁ আৰম্ভ কৰা সৰ্বাত্মক প্ৰচেষ্টাই দেশখনক নতুন সম্ভাৱনাৰ দুৱাৰডলিত থিয় কৰালেহি। ভাৰতৰ ৰাইজৰ লগত বিশেষকৈ মুক জনতাৰ লগত তেওঁৰ নিবিড় আত্মীয়তাৰ কথা আমাৰ সমগ্ৰ জাতিয়ে চিৰদিন পৰম কৃতজ্ঞতাৰে সুঁৱৰিব। শ্ৰীমতী গান্ধীৰ নতুন ভাৰত গঢ়াৰ প্ৰচেষ্টাই জাতীয় জীৱনৰ প্ৰতিটো দিশকে সামৰি লৈছিল, দেশৰ প্ৰতিটো অংশ আৰু ৰাইজৰ প্ৰতিটো ভাগকে সামৰি লৈছিল।

অধ্যক্ষ মহোদয়, অসমৰ প্ৰতি শ্ৰীমতী গান্ধীৰ উদাৰ মাতৃসুলভ চেনেহৰ কথা আমাৰ ৰাজ্যখনৰ জীৱন কাহিনীৰ লগত চিৰদিন গথাঁ থাকিব। অসমৰ ৰাইজৰ আলৈ আথুকালৰ দিনত, দুৰ্যোগ বিপত্তিৰ দিনত তেওঁ যেনেকৈ উৎকণ্ঠাৰে ৰাইজৰ মাজলৈ আহিছিল, অসমৰ ৰাইজে সেই কথা কেতিয়াবা পাহৰিব পাৰিবনে ? চীনা আক্ৰমণৰ সময়ত, বানপানীৰ দুৰ্যোগৰ সময়ত তেওঁ মাতৃসুলভ উদ্বেগেৰে আমাৰ কাষলৈ দৌৰি আহিছিল। অসমৰ অৰ্থনৈতিক উন্নতিৰ বাবে তেওঁ অহৰহ নিজৰ উদ্বেগ উৎকণ্ঠাৰ কথা সদৰি কৰিছিল। আমাৰ ৰাজ্যখনে আগবঢ়াৰ বাটত পেলোৱা প্ৰতিটো খোজতে আছিল শ্ৰীমতী গান্ধীৰ চেনেহ, আশীৰ্বাদ আৰু পৃষ্ঠপোষকতা। আজি অসমৰ যি ফালেই আমি চকু ঘূৰাও সেই ফালেই বেলেগ বেলেগ উদ্যোগ প্ৰকল্পত, উন্নয়নমুখী ব্যস্ততাত সকলোতে শ্ৰীমতী গান্ধীৰ চেনেহৰ ইংগিত বিচাৰি পাম।

১৯৮০ চনত প্ৰধানমন্ত্ৰীৰ শপত লৈয়েই অশান্তিৰ কবলত পৰা আমাৰ ৰাজ্যলৈ তেওঁ লৰি অহাৰ কথা এই পবিত্ৰ সদনৰ সকলোৱে নিশ্চয় মনত পেলাব পাৰিব। কেনে আন্তৰিকতাৰে, অসমৰ সমস্যাক লৈ, দলমত নিৰ্বিশেষে সকলোৰে লগত তেওঁ আলোচনা কৰিছিল, সেই কথাও আমি কোনেও পাহৰিব নোৱাৰো। অসমৰ ছাত্ৰ সমাজক নিজৰ সন্তানৰ দৰে বুলি অভিহিত কৰি তেওঁ মুকলি মনেৰে বাৰে বাৰে আলোচনাৰ বাট মুকলি কৰি দিছিল। তাৰ পিচতো আন্দোলন চলি থকাত আৰু ইয়াৰ ফলত অসমৰ অগ্ৰগতি মন্থৰ হৈ পৰা দেখি তেওঁ পৰম বিষন্ন হৈ পৰিছিল এগৰাকী মাতৃৰ দৰে।

অধ্যক্ষ মহোদয়, অসমৰ বৰ্ত্তমান চৰকাৰ গঠিত হোৱাৰ আগে আগে কি বিৰাট বিপৰ্যয়ে ৰাজ্যখনক কপাই গৈছিল, সেই কথা এই সদনৰ কোনেও নিশ্চয় পাহৰিব পৰা নাই। সেই অশান্তিৰ পৰা ৰাজ্যখনক উদ্ধাৰ কৰাৰ কামত শ্ৰীমতী গান্ধীৰ দিহা-পৰামৰ্শ সহায় আৰু পৃষ্ঠপোষকতাৰ কথা আমি সদায়েই গভীৰ গৰ্বেৰে স্মৰণ কৰিম। সেই সময়তো ক্ষতিগ্ৰস্ত ৰাইজক নিৰাময়ৰ পৰশ দিবলৈ তেওঁ দৌৰি আহিছিল। আথুকলীয়া বতৰ আৰু অনিশ্চিত পৰিস্থিতিকো আওকাণ কৰি ভিতৰুৱা অঞ্চললৈ গৈ তেওঁ ক্ষতিগ্ৰস্ত ৰাইজৰ বেদনাৰ ভাগ লৈছিলগৈ। দুই-তিনি মাহৰ ভিতৰতে লাখ লাখ শৰণাৰ্থীক পুনসংস্থাপন দিয়াৰ বেলিকাও শ্ৰীমতী গান্ধীয়ে যি উদাৰ আনুকূল্য দেখুৱাইছিল, সেই কথা অসমৰ ৰাইজে কোনো দিন পাহৰিব নোৱাৰিব। বিপন্ন ৰাইজৰ বাবে শ্ৰীমতী গান্ধীৰ উদ্বেগ আৰু উৎকণ্ঠাৰ এইবোৰ দৃষ্টান্তই দেশৰ ভৱিষ্যত পুৰুষকো মানৱতাৰ আদৰ্শত উদ্বুদ্ধ কৰি থাকিব।

দীঘলীয়া আন্দোলন আৰু হিংসাশ্ৰয়ী ঘটনাই ভাঙি পেলোৱা অসমৰ সমাজ আৰু অৰ্থনীতিক নকৈ সজাৰ ক্ষেত্ৰত শ্ৰীমতী গান্ধীয়ে আগবঢ়োৱা পৃষ্ঠপোষকতাৰ কথা অসমৰ বৰ্ত্তমান সময়ৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা থাকিব। ৰাইজৰ মনোবল বঢ়াবলৈ তেওঁ যেনেদৰে নিজেই ৰাইজৰ কাষলৈ আহিছিল, তেনেদৰেই ৰাজ্যখনৰ অৰ্থনৈতিক আলৈ-আথুকাল দূৰ কৰাৰ কামত ৰাজ্য চৰকাৰৰ প্ৰতি সহায়ৰ হাত আগবঢ়াই দিছিল। ব্ৰহ্মপুত্ৰৰ ওপৰত তৃতীয় দলং, অসমৰ পৰিকল্পনা পুঁজিৰ অভিলেখ বৃদ্ধি, অষ্টম বিত্ত আয়োগৰ উদাৰতা, গুৱাহাটীলৈ ব্ৰডগজ ৰেল পথ, ষ্টক একচেঞ্জ, আভ্যন্তৰীণ

পানাগাৰ এই সকলোবোৰেই আছিল অসমৰ ৰাইজৰ প্ৰতি শ্ৰীমতী গান্ধীৰ গভীৰ চেনেহৰ চিনাকি। যোৱা ছেপ্তেম্বৰ মাহতো অসমৰ ৰাইজ বানপানীৰ কবলত পৰাৰ সময়ত তেওঁ অতিশয় উৎকণ্ঠাৰে আমাৰ মাজলৈ আহিছিল আৰু সকলো ধৰণৰ উদাৰ সাহাজ্যৰ আশ্বাস দিছিলহি। আৰু সেই বাবেই আছিল তেওঁৰ শেষ অসম আগমন।

অধ্যক্ষ মহোদয়, শ্ৰীমতী ইন্দিৰা গান্ধী এতিয়া আমাৰ মাজত নাই। তথাপিও তেওঁৰ মৃত্যুহীন স্মৃতিয়ে আমাক সদায়েই বাট দেখুৱাব। কেৱল অসম বা ভাৰতকে নহয়, সমগ্ৰ বিশ্বৰ দৰিদ্ৰ অনুন্নত দুৰ্গত ৰাইজৰ আগবঢ়াৰ বাট চিৰদিন তেওঁৰ চেনেহ আৰু আশীষেৰে আলোকিত হৈ থাকিব।

শ্ৰীমতী ইন্দিৰা গান্ধী কেৱল এগৰাকী নেত্ৰী বা এগৰাকী প্ৰধান মন্ত্ৰীয়েই নাছিল, তেওঁ আছিল এক মূৰ্ত্তিমান বিপ্লৱ। দৰিদ্ৰ ৰাইজৰ মুক্তিৰ বিপ্লৱ, অৰ্থনৈতিক সমৃদ্ধিৰ বিপ্লৱ, বিশ্ব সভাত তৃতীয় বিশ্বক যোগ্যস্থান দিয়াৰ বিপ্লৱ। এই বিপ্লৱৰ অনিৰ্বান শিখাই দেশে দেশে চিৰদিন বুৰঞ্জীৰ গতিপথত পোহৰ পেলাব। ভৱিষ্যত পুৰুষক উদ্দীপ্ত কৰিব। শ্ৰীমতী গান্ধীৰ আদৰ্শ সমূহৰ প্ৰতি আমাৰ দায়বদ্ধতাৰ কথাকে দোহাৰি সেই অমৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাৰ অঞ্জলি যাচিছো।

শ্ৰীহেমেন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ মৃত্যুত আপোনাৰ লগতে মইও গভীৰ শোক প্ৰকাশ কৰিছো। যোৱা ৩১ অক্টোবৰত দুজন খালীস্থানী বিছিন্নতা বাদীয়ে তেওঁক হত্যা কৰা ঘটনাই দেশবাসীক স্তম্ভীত আৰু শোকাহত কৰিছে। এই জঘন্য হত্যাক মই তীব্ৰ গৰিহণা দিছো।

এই জঘন্য হত্যা কান্ডৰ লগত মাৰ্কিন সাম্ৰাজ্য বাদৰ ভাৰতক খন্ডিত কৰাৰ গভীৰ ৰাজনৈতিক ষড়যন্ত্ৰ জড়িত হৈ আছে। আভ্যন্তৰীণ বিশৃংখলতা সৃষ্টি ভাৰতক খন্ডিত কৰাৰ মাৰ্কিন সাম্ৰাজ্যবাদীৰ গভীৰ ষড়যন্ত্ৰৰ খবৰ পোৱা যায় ১৯৭৮ চনত, যিদিনা কুখ্যাত চি, আই, ৰ অপাৰেচন ব্ৰহ্মপত্ৰৰ আচনিৰ সংবাদ প্ৰকাশ হয়। সাম্ৰাজ্যবাদীৰ উচতনিত যোৱা তিনি বছৰ ধৰি পঞ্জাৱত শিখ উগ্ৰপন্থী বা খালিস্থান পন্থীয়ে বিশৃংখলতা সৃষ্টি কৰি নিৰিহ লোকক হত্যা কৰি আছে। ভাৰতৰ বাহিৰত সাম্ৰাজ্যবাদী দেশবোৰত খালীস্থানী পন্থী সকলে বাধাহীন ভাৱে সভা সমাবেশ বিক্ষোভ আদি সংগঠন কৰি আছে।

শ্ৰীমতী ইন্দিৰা গান্ধীৰ চৰকাৰৰ গোষ্ঠী নিৰপেক্ষ বৈদেশীক নীতি, বিশ্ব শান্তি আৰু আনবিক যুদ্ধৰ বিৰুদ্ধে তেওঁৰ ভূমিকা সমাজতান্ত্ৰিক দেশ সমূহ আৰু বিশেষকৈ ছোভিয়েত ইউনিয়নৰ খ্যাত বন্ধুত্বপূৰ্ণ সম্পৰ্ক, জাতীয় মুক্তি আন্দোলনলৈ সমৰ্থন, আফগানিস্থান আৰু কাম্পুচিয়াৰ সম্পৰ্কত তেওঁৰ বাস্তৱধৰ্মী নীতি আদিৰ বাবে মাৰ্কিন সাম্ৰাজ্যবাদ আৰু সিহঁতৰ ভেৰোণীয় সকলৈ তেওঁৰ প্ৰতি শত্ৰুতাৰ ভাব গোপন কৰি আছিল। গোষ্ঠী নিৰপেক্ষ আন্দোলনত তেওঁৰ ভূমিকা প্ৰশংসনীয়। এই আন্দোলন সাম্ৰাজ্যবাদৰ অনুকুলে যোৱাত তেওঁ বাধা দিছিল। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সভানেত্ৰী হৈ থকা বছৰ দুটাত সাম্ৰাজ্যবাদীহতৰ তেওঁৰ প্ৰতি শত্ৰুতা বৃদ্ধি হৈছিল। গোষ্ঠী নিৰপেক্ষ নীতি ত্যাগ কৰাৰ বাবে সাম্ৰাজ্যবাদীহতে ভাৰতৰ ওপৰত সদায় হেচা দি আহিছে। মাৰ্কিন সাম্ৰাজ্যবাদী চক্ৰবোৰে ভাৰতক খণ্ডিত কৰাৰ চেষ্টা কৰি থকাৰ কথা ওপৰত উল্লেখ কৰিছে। এই উদ্দেশ্য সিদ্ধিৰ বাবে সিহঁতে ভাৰতৰ চুবুৰীয়া দেশবোৰক ভাৰত বিৰোধী কৰি তুলিছে। পাকিস্থানক সৰ্ব্বাধুনিক শক্তি সমূহক নানা প্ৰকাৰে সহায় কৰি আছে। এইবোৰ শক্তিয়ে এই জঘন্য হত্যা কান্ডৰ বাবে দায়ী।

শ্ৰীমতী গান্ধীৰ মৃত্যুৰ পিচত তিনিদিন ধৰি এদল সমাজবিৰোধী লোকে নীৰিহ শিখ সকলক হত্যা, তেওঁলোকৰ সম্পত্তি লুন্ঠন আৰু গৃহদাহ কাৰ্য্যত লিপ্ত হৈ দেশৰ জনসাধাৰণৰ মাজৰ ঐক্য আৰু সম্প্ৰীতি ধ্বংস কৰাত উঠিপৰি লাগিছে। এনেবোৰ কাৰ্য্যই সাম্ৰাজ্যবাদী চক্ৰ আৰু অন্যান্য প্ৰতি-ক্ৰীয়াশীল শক্তিক দেশৰ অখন্দতাৰ বিৰুদ্ধে চক্ৰান্ত কৰাৰ সুযোগ আনি দিয়ে। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত সকলো দেশপ্ৰেমী ৰাইজক সকলো প্ৰকাৰৰ সাম্প্ৰদায়ীকতাবাদৰ বিৰুদ্ধে নীৰৱচ্ছিন্ন সংগ্ৰাম চলাই দেশৰ ঐক্য আৰু অখন্দতা ৰক্ষাৰ বাবে প্ৰতিজ্ঞা বদ্ধ হবলৈ আহবান জনালো।

Shri BINOY KUMAR BASUMATARY :—Sir, I rise to associate myself with the honourable sentiments expressed by all the Members and the House. I, as a representative of the tribals and also the minorities, say that she was our Prime Minister and her last two days were spent among the tribals. This amply demonstrates the feelings she had for the downtrodden of the country. As for myself, she always listened to our problems. Now she is not there. We slightly feel insecure. All the minorities and religious minorities like christians and tribals, we feel insecure. The persons to whom the work was entrusted to protect her has failed. Sir, this is a serious thing which is happening in this country. Sir, we also feel insecure because even among us we have seen with our own eyes that this murder has been celebrated by some section of our people. Sir, we also had a shock that if a Prime Minister can be murdered in that manner and if we profess to be democrats, then I wish to agree with some sentiments expressed by a prominent daily of India that democracy can be murdered. Sir, at this juncture we all have to be united and we assure that the tribals of India will work for the integrity and unity of the country. With these words, sir, I associate my feeling with you, all.

Thanks you. sir.

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, আজি আমি প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ শোকত প্ৰত্যেক জন ভাৰতীয়ই শোকাভিভূত। শ্ৰীমতী গান্ধীৰ বিষয়ে মোৰ বিশেষ কবলগীয়া নাই কাৰণ সকলোৱে জানে। শ্ৰীমতী গান্ধীৰ জীৱনৰ বিশেষ তাৎপৰ্য্যপূৰ্ণ ঘটনা হল তেখেত জন্মৰ পৰাই শেষ নিশ্চাস পেলোৱা পৰ্য্যন্ত ৰাজনৈতিক স্থান লাভ কৰি গল। বোধকৰো বিশ্বত এনে উদাহৰণ বিৰল। জন্মৰ পৰা শেষ নিশ্চাস পৰ্য্যন্ত ভাৰতৰ ৰাজনীতিজ্ঞ, কূটনীতিবিদ, সাৰ্ব্বভৌমত্ব ৰক্ষা কৰাৰ কাৰণে বিশ্বৰ মাজত সমন্বয় ঘটাবলৈ আগবাঢ়িছিল আৰু সেই আদৰ পাইছিলো। তেনেকুৱা এগৰাকী মহিয়সী নেত্ৰী আমাৰ পৰা আতৰাই নিয়াত আমি প্ৰত্যেকে দুখ পাইছো। শ্ৰীমতী গান্ধীয়ে অমাৰ দেশ খনৰ কাৰণে বা বিশ্বৰ কাৰণে যথেষ্ট কৰি গল। বিশ্ব নেত্ৰী হিচাবে তেওঁ যি ভূমিকা গ্ৰহণ কৰিছিল তেখেতৰ মৃত্যুত আজি বিশ্বই শোক প্ৰকাশ কৰিছে। সেই সাম্ৰাজ্যবাদী চক্ৰটোৱে বিশ্বৰ যি অপূৰণীয় ক্ষতি কৰালে তাৰ কাৰণে আজি সকলোৱে গৰিহণা দিছে। এই সাম্ৰাজ্যবাদী, দুস্কৃতিকাৰী লোক সকল সদায়ে গৰিহণাৰ পাত্ৰ হৈ থাকিব। অৱশ্যে বিশ্বৰ বুৰঞ্জীত দেখা যায় মহান ব্যক্তি সকলে আততায়ীৰ হাতত মৃত্যু বৰণ কৰিব লগীয়া হয়। যেনে যীষুখৃষ্ট, মহাত্মাগান্ধী, আব্ৰাহাম লিংকন আদি ব্যক্তি দুষ্ট লোকৰ হাততে অত্যাচাৰিত হব লগীয়া হৈছিল আমাৰ প্ৰিয় নেত্ৰী, শ্ৰীমতী গান্ধীৰো একে অৱস্থা হল। শ্ৰীমতী গান্ধীয়ে বেংক ৰাষ্ট্ৰীয়কৰণ, মাটিৰ চিলিং আইন, ৰাজন্য ভাট্টা বিলোপ আদি যথেষ্ট আইন প্ৰণয়ন কৰি সেই আইন প্ৰয়োগৰ কাৰণে নেতৃত্ব দিছিল যাৰ কাৰণে তেওঁ একশ্ৰেণী লোকৰ অপ্ৰিয় হৈছিল তথাপি তেওঁ কেৰেপ কৰা নাছিল। দেশখনৰ পৰা কুসংস্কাৰ আতৰ কৰিবলৈ তেওঁ কৰ্ত্তব্যত নিয়োজিত হৈছিল। আজি প্ৰত্যেকজন ব্যক্তিয়ে তেওঁৰ মৃত্যুত শোক প্ৰকাশ। আজি সকলোৱে লগতে আমিও শোকাভিভূত হৈছো আৰু তেখেতৰ আত্মাৰ প্ৰতি ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে শান্তি লাভ কৰে।

Shri SILVIUS CONDPAN :—Hon'ble Speaker, Sir, I rise to express my tribute to the greatest departed soul the great leader of our country. I had many occasions to meet this great leader of our country in connection with problems in the midst of her busy life, heavy engagements. Madam Indira Gandhi used to listen to ordinary people like us with small problems. In my area I had my problems and during Presidential Rule we used to go to her. From international to small national matters she used to listen. Today at this juncture we fell the great loss, loss to the down-trodden people in our country. She died for a big cause and today she is the first martyr for the integrity of our country. Sir, we hope that we who are surviving will follow and strengthen her principle of integrity of the country at the cost of our life. With these few words I pay my tribute to this great soul. May her soul rest in peace.

Shri DEVANANDA KONWAR :—Mr. Speaker, Sir, We are yet to recover from the shock of Smti. Indira Gandhi's death. Madam Prime Minister Smti. Indira Gandhi was the finest flower of Indian politicians and statemen. The Indian democracy the foundation stone of which was laid by her illustrious father Pandit Jawaharlal Nehru, she nourished with all her power Starting her public life at the age of thirteen years she laid down her life in the 67th year. Throughout her public life, as I understand, she fought for two great causes. The progress and development and the maintenance of national unity and integrity. In fact, Sir, one is supplementary to the other There can be no progress and development if there is no national unity and integrity and the resultant peace. Similarly, Sir, there can be no national unity and integrity if there is no universal progress in the country.

On the International front, the rigour and vehemence of the concept of the regional geopolitics were mitigated and she brought into full play a new concept of developmenntal politics for achieving socio-economic progress of down-trodden people cutting across regions and races through a great movement of 1/3 of the human population called the non-aligned movement. As the architect and champion of democracy she nurished democracy in India, and by democracy I do not mean the mere form of Parliamentary Governance, but I mean the maximum good of the maximum number of people of this country and to achieve

that end she introduced the great new 20-Point Programme even when the country was developed on the lines of Planned economic development through the constitution of planning Commission and implementation of the 5-year Plans. Simultaneously with the implementation of the 5-year Plans she had the foresight and statesmanship to see that a new developmental plan for achieving the socio-economic progress of the down-trodden masses of the country was needed with this justification she introduced the new 20-Point Programme for which all of us are working and reaping its benefit in the countryside to-day. I therefore, express my deep feeling of loss and sorrow on the passing away of the Great Leader, and I do not like to go into details of her achievements—but simply pay my humble tribute and associate myself with the sentiments expressed by the hon. members of this August House.

Mr. SPEAKER — Now I request the hon. members to rise in their seats and observe 2—minutes' silence as a mark of respect to the departed soul.

(All members rose in their seats and observed 2 minutes' silence.)

The House stands adjourned till 10 A. M. Monday, the 26th November 1984.

## ADJOURNMENT

The House then rose for the day at 9—40 A. M. and stood adjourned till 10 A. M. on Monday, the 26th November, 1984.

Dated Dispur :

The 23rd November, 1984.

P. D. BARUAH,
Secretary,
Assam Legislative Assembly.

AGP· (Mini) L.A.—60/87—15,000—20-8-87